بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত খাবিব (ৰাঃ)ৰ শ্বাহাদতৰ ঘটনাৰ বৰ্ণনা আৰু বিভিন্ন দেশৰ নিপীড়িত জনতাৰ বাবে দোৱাৰ তেহেৰিক।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩১ মে ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় এক অভিযান সম্পৰ্কে দিয়া বৰ্ণনাত হজৰত খাবিব (ৰাঃ)ক শ্বহীদ কৰাৰ ঘটনা সম্পৰ্কে উল্লেখ কৰা হৈছিল। ইয়াৰ বিতং বৰ্ণনাত লিখা আছে যে এখেত (ৰাঃ)য়েই আছিল প্ৰথম চাহাবী, যাক কাঠৰ সৈতে বান্ধি লৈ শ্বহীদ কৰা হৈছিল, অৰ্থাৎ ক্ৰুছত বন্ধাৰ দৰে ওলমাই বান্ধি শ্বহীদ কৰিছিল।

আল্লামা ইবনে আছিৰে লিখিছে যে হজৰত খাবিব (ৰাঃ)য়েই আছিল প্ৰথম চাহাবী যাক আল্লাহৰ বাটত ক্ৰুছবিদ্ধ কৰা হৈছিল। শ্বাহাদতৰ আগমুহূৰ্তত কুৰাইছ সকলে হজৰত খাবিব (ৰাঃ)ক কৈছিল তেখেত (ৰাঃ)য়ে যদি ইছলাম এৰি দিয়ে তেন্তে তেখেতক মুক্তি দিব। কিন্তু হজৰত খাবিব (ৰাঃ)য়ে উত্তৰত কৈছিল যে ইছলামৰ বাটত মোক শ্বহীদ কৰি দিয়াটো নিচেই সাধাৰণ কথা।

ইয়াৰ পিছত হজৰত খাবিব (ৰাঃ)য়ে প্ৰাৰ্থনা কৰিছিল হে আল্লাহ ! ইয়াত এনেকুৱা কোনো এজনও নাই যে সি গৈ তোমাৰ ৰছুল (ছাঃ)ক মোৰ ছালাম পৌচাই দিব, গতিকে তুমি নিজে মোৰ ছালাম ৰছুলুল্লাহ (ছাঃ)ক পৌচাই দিয়া আৰু যি ঘটনা মোৰ সৈতে ইয়াতে ঘটি আছে সেয়া তেখেত (ছাঃ)ক জনাই দিয়া। হজৰত উছামা বিন জায়েদ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে এদিন হুজুৰ (ছাঃ)য়ে চাহাবা সকলৰ লগত বহি আছিল এনেতে তেখেত (ছাঃ)ৰ ওপৰত ওহী নাযিল হোৱা অৱস্থাৰ দৰে এটা অৱস্থা জাৰি হয় আৰু তেখেত (ছাঃ)য়ে কয় ওৱা আলায়হিছ ছালাম ওয়া ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু। অৰ্থাৎ তাৰ ওপৰতও ছালামতি আৰু ৰহমত আৰু বৰকত নাযিল হওঁক। ইয়াৰ পিছত যেতিয়া এই অৱস্থা কাটি যায় তেতিয়া তেখেত

(ছাঃ)য়ে কয় যে এইজন জিব্রাইল (আঃ) আছিল যিজনে মোক খাবিব (ৰাঃ)ৰ ছালাম পৌচাই দিছিল। হজৰত খাবিব (ৰাঃ)ক কুৰাইছ সকলে হত্যা কৰি পেলাইছে।

বৰ্ণনাত আছে যে কুৰাইছ সকলে এনেকুৰা চল্লিছ জন লোকক হজৰত খাবিব (ৰাঃ)ক হত্যা কৰাৰ সময়ত সেই ঠাইত মাতি আনিছিল যি সকলৰ পিতা,ককাইদেউতা বদৰৰ যুদ্ধত নিহত হৈছিল। কুৰাইছ সকলে তেওঁলোকৰ প্ৰত্যেকৰ হাতত এটা এটা বল্লম দি পেলাই কৈছিল যে এইজনেই সেই ব্যক্তি যিজনে তোমালোকৰ দেউতা, ককাইদেউতাক হত্যা কৰিছিল। তেতিয়া সেই মানুহ বিলাকে এজন এজনকৈ খাবিব (ৰাঃ)ক নিজৰ হাতৰ বল্লমেৰে আঘাত হানি হানি গৈছিল যাৰ ফলত খাবিব (ৰাঃ)য়ে ক্ৰুছৰ ওপৰত অচেতন হৈ পৰে আৰু মূৰটো ঘূৰি মূখমণ্ডল কাবা চৰিফৰ ফালে হৈ যায়। তেনে অৱস্থাত খাবিব (ৰাঃ)য়ে সমস্ত প্ৰশংসা আল্লাহ তা'লাৰ বাবে যিজনাই মোৰ মূখমণ্ডল তাৰ কাবাৰ ফালে কৰি দিছে আৰু এয়া সি নিজৰ বাবে পছন্দ কৰিছে। ইয়াৰ পিছতে কাফিৰ সকলে হজৰত খাবিব (ৰাঃ)ক শ্বহীদ কৰি দিয়ে। ইয়াৰ পৰা অনুমান হয় যে কাফিৰ সকলে হজৰত খাবিব (ৰাঃ)ক বল্লমেৰে আঘাত হানি হানি কষ্ট দিছিল, তাৰ পিছত হত্যা কৰিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ) য়ে কৈছে যে কুৰাইছ চৰদাৰ বিলাকৰ মনৰ হিংসাৰ আগত দয়া আৰু ন্যায়ৰ লেশ মাত্ৰও নাছিল। গতিকে যুদ্ধ পৰাজয়ৰ বেছি দিন পাৰ হোৱাই নাছিল বনু হাৰিছৰ লোক আৰু বেলেগ কুৰাইছ নেতৃবৃন্দই মিলি হজৰত খাবিব (ৰাঃ)ক মাৰি পেলাই আনন্দ উৎযাপনাৰ্থে তেখেত (ৰাঃ)ক এটা মুকলি পথাৰলৈ লৈ যায়। হজৰত খাবিব (ৰাঃ)য়ে মৃত্যুৰ আগত দুই ৰাকাত নফল নামাজ পঢ়ি ল'বলৈ অনুমতি বিচাৰে। ইয়াৰ পিছত তেখেত (ৰাঃ)য়ে বৰ বিনয় ভৰে দুই ৰাকাত নামাজ আদায় কৰে আৰু কয় যে মোৰ অন্তৰে বিচাৰে যে মই নামাজ দীঘলীয়াকৈ পঢ়ো, কিন্তু মোৰ মনত পৰে যে কাফিৰ সকলে ভাৱিব মই মৃত্যুক পিছুৱাই নিবলৈ নামাজ দীঘলীয়া কৰি আছো। ইয়াৰ পিছত হজৰত খাবিব (ৰাঃ)য়ে এটা কবিতাৰ পংক্তি পাঠ কৰি শীৰ নত কৰি দিছিল। যাৰ অৰ্থ এনেদৰে হয় মই ইছলামৰ বাটত আৰু মুছলমান হোৱা অৱস্থাত মৃত্যু বৰণ কৰি আছো, গতিকে মোৰ একো ভ্ৰূক্ষেপ নাই যে মই কি কাৰণত মৃত্যু বৰণ কৰি আছো।

এই সকলোবোৰ খোদা তা'লাৰ নিমিত্তে হৈ আছে, গতিকে যদি মোৰ খোদা তা'লাই বিচাৰে তেন্তে মোৰ শৰীৰৰ টুকুৰা বিলাকত বৰকত নাযিল কৰিব।

হজৰত খাবিব (ৰাঃ)য়ে নিজৰ মৃত্যুৰ আগমুহূৰ্তত দোৱা কৰিছিল যে হে খোদা ! এই অত্যাচাৰী জালিম সকলক তুমি বাছি বাছি ধংস কৰি দিয়া। গতিকে তেখেতৰ হত্যাকাৰী বিলাকে ধ্বংসত পতিত হৈছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই ঘটনা খিনি প্ৰমাণিত নহয়, কাৰণ বাকী কোনো ঠাইত উল্লেখ পোৱা নাযায় যে এবছৰ নহওঁতেই খাবিব (ৰাঃ)ৰ হত্যাকাৰী বিলাক শেষ হৈ গৈছিল। হয় ! এয়া ক'ব পৰা যায় যে সিহঁতৰ বেছি ভাগেই মৃত্যুক সাৱটি ল'ব লগা হৈছিল আৰু বাকী বিলাকে মক্কা বিজয়ৰ সময়ত মুছলমান হৈ গৈছিল। এজন জীৱনী লিখকে এই বিষয়ে লিখিছে যে মুশৰিক সকলে হজৰত খাবিব (ৰাঃ)ৰ মুখত উক্ত কথা বিলাক শুনি কঁপি উঠিছিল। তেওঁলোকৰ এয়া বিশ্বাস আছিল যে খাবিবৰ এই অভিশাপ বিফলে নাযায়। কুৰাইছ সকলে এই অভিশাপ সম্পৰ্কে বৰ বিতত হৈ আলোচনা কৰিছিল। প্ৰায় মাহজুৰি তেওঁলোকৰ বৈঠকত খাবিবৰ অভিশাপ সম্পৰ্কে ভয় বিহ্বল পূৰ্ণ আলোচনা চলিছিল আৰু তেওঁলোকে এই বিষয়ে বিভিন্ন ধৰণৰ ব্যাখ্যা আৰু মূলভাৱ ব্যক্ত কৰিছিল।

যিটো দলে হজৰত খাবিব (ৰাঃ)ক শ্বহীদ কৰিছিল সেই দলত থকা এজন ব্যক্তিৰ নাম আছিল ছঈদ

বিন আমৰ। এই ব্যক্তিজনে পিছত মুছলমান হৈছিল আৰু হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কাললৈ জীয়াই আছিল আৰু যেতিয়াই তেওঁৰ হজৰত খাবিবৰ মৃত্যুৰ ঘটনা মনত পৰিছিল, তেওঁ মূৰ্চ্ছা গৈছিল।

হজৰত উমৰ (ৰাঃ)য়ে ছঈদক ছিৰিয়াৰ এখম ঠাইৰ গৰ্ৱর্ণৰ হিচাপে নিযুক্ত কৰিছিল তাতেও কেতিয়াবা মানুহৰ মাজত এই ঘটনা সম্পৰ্কে আলোচনা হলে এওঁ মূৰ্চ্ছা গৈছিল। পিছত মানুহে ছঈদৰ এনে অৱস্থা হোৱা সম্পৰ্কে হজৰত উমৰ (ৰাঃ)ক জনাইছিল যে আপুনি এজন বেমাৰী লোকক আমাৰ গভৰ্নৰ বনাই দিছে। যেতিয়া ছঈদ বিন আমৰে হজৰত উমৰ (ৰাঃ)ৰ লগত সাক্ষাৎ কৰিবলৈ আহিছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে ছঈদক সুধিছিল হে ছঈদ তোমাৰ কোনো বেমাৰ আছে নেকি ? তেতিয়া ছঈদ বিন আমৰে উত্তৰ দিছিল নহয়; মোৰ কোনো বেমাৰ নাই। কথা হ'ল এয়া যে যেতিয়া হজৰত খাবিব (ৰাঃ)ক হত্যা কৰা হৈছিল মইও তাতে উপস্থিত আছিলো আৰু এতিয়া যেতিয়াই হজৰত খাবিব (ৰাঃ)ৰ দোৱাৰ কথা মোৰ মনত পৰে, মই অচেতন হৈ পৰো।

কুৰাইছ সকলে হজৰত খাবিব (ৰাঃ)ৰ লাচ ক্রুছত ওলমাই ৰাখিছিল যাতে তাতেই গেলি-পচি যায়। ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত খাবিব (ৰাঃ)ৰ মৃতদেহ ক্রুছৰ পৰা নমাই আনিবলৈ তেহেৰিক কৰি কৈছিল যে তোমালোকৰ মাজৰ পৰা কোনে গৈ খাবিবৰ লাচ ক্রুছৰ পৰা নমাই আনিবা ? তেতিয়া হজৰত জুবেৰ বিন আউৱাম (ৰাঃ)য়ে কৈছিল যে মই আৰু মোৰ লগৰীয়া মিকদাদ বিন আছুদে এই কাম কৰিব পাৰিম ইয়া ৰছুলুল্লাহ ! যেতিয়া এওঁলোক দুজনে সেই লাচৰ ওচৰত গৈছিল তাতে তেওঁলোকে চল্লিছজন মান লোকক নিচাগ্রস্থ অৱস্থাত শুই থকা দেখিবলৈ পায়। এই সুযোগত এওঁলোক দুজনে হজৰত খাবিব (ৰাঃ)ৰ লাচ নমাই আনিছিল। হজৰত খাবিব (ৰাঃ)ৰ শ্বাহাদতৰ চল্লিছ দিন পিছত এই ঘটনা ঘটিছিল।

জীৱনীমূলক কিতাপত লিপিবদ্ধ ৰিৱায়তত হজৰত খাবিব (ৰাঃ)ৰ লাচ লৈ আনিবলৈ যোৱাৰ বাবে আৰু কিছুমান লোকৰ কথা উল্লেখ আছে। গতিকে এটা ৰিৱায়ত অনুযায়ী আঁহজৰত (ছাঃ)য়ে হজৰত উমৰু বিন উমিয়া (ৰাঃ)ক অকলে হজৰত খাবিব (ৰাঃ)ৰ লাচ লৈ আনিবলৈ পঠিয়াইছিল। আন এটা ৰিৱায়ত অনুযায়ী হজৰত উমৰু বিন উমিয়া (ৰাঃ)ৰ লগত হজৰত জাববাৰ বিন ছাখাৰ আনছাৰীকও পঠিওয়া হৈছিল। সি বৰ্ণনা কৰিছে যে মই হজৰত খাবিব (ৰাঃ)ৰ লাচ ক্রুছৰ পৰা নমাই আনিছিলো। যেতিয়া কুৰাইছ সকলে আমাৰ পিছানুসৰণ কৰিছিল তেতিয়া মই হজৰত খাবিবৰ লাচ নদীত দলিয়াই দিছিলো। এনেদৰে আল্লাহ তা'লা তেখেত (ৰাঃ)ৰ লাচ মোবাৰক কাফিৰ সকলৰ চকুৰ আঁৰ কৰি দিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এনেদৰে আল্লাহ তা'লা তেখেত (ৰাঃ)ৰ লাচক কাফিৰৰ অপমানৰ হাতৰ পৰা হিফাজত কৰিছিল। কাফিৰ সকলে লাচৰ ওপৰত যি কৰিব বিচাৰিছিল সেয়া কৰিব পৰা নাছিল। আল্লাহ তা'লা এনেদৰেও নিজৰ প্ৰিয়জনৰ হিফাজত কৰি থাকে; আৰু বহুতো এনেকুৱা ঘটনা আছে, য'ত আল্লাহ তা'লাই লাচ সমূহক শত্রুৰ চয়তানীৰ পৰা হিফাজত ৰাখিছে। আগতেও মই এনেকুৱা ঘটনা বৰ্ণনা কৰিছোঁ যে মৌ মাখিৰ জৰিয়তে আল্লাহ তা'লা লাচৰ হিফাজত কৰিছিল আৰু লাচৰ অসন্মান হ'ব পৰা নাছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই অভিযানৰ বৰ্ণনা ইমানতেই অন্ত পৰিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে মই সদায় দোৱাৰ ফালে মানুহৰ মনোযোগ আকৰ্ষণ কৰি আহিছো। পেলেষ্টাইনৰ নিপীড়িত জনতাৰ বাবে দোৱা কৰিব। পেলেষ্টাইনত জনতাৰ চৰম বিপৰ্যয় ঘটিছে। ৰফাহা সম্পৰ্কে আগতে আমেৰিকাই কৈছিল যে আমাৰ ৰেড লাইন হ'ব। এতিয়া কৈ আছে, নহয়। এতিয়াও শেষ হোৱা নাই। নাজানো তেওঁলোকৰ ৰেড লাইনৰ সীমা কিমানলৈ আছে ? কিমান মানুহক তেওঁলোকে হত্যা

কৰিবলৈ আছে আৰু কেতিয়া মিলা-মিলি হ'ব ? আল্লাহ তা'লা এই অত্যাচাৰী সকলৰ হাতৰ পৰা জগতক মুক্তি দিয়ক আৰু নিপীড়িত পেলেষ্টাইনক মুক্তি দিয়ক। আমীন-

এনেদৰে ছুইডেনৰ বাসিন্দা সকলৰ বাবে দোৱা কৰিব। তাতে নিজৰ সম্প্ৰদায়ৰ মাজত অৰ্থাৎ মুছলমানে মৰা মৰি কৰি আছে। আল্লাহ তা'লা সিহঁতক বিবেক দান কৰক। তেওঁলোকে আল্লাহ তা'লাৰ গ্ৰেপ্তাৰীৰ পৰা যেন ৰক্ষা পায়। তেওঁলোকে যেন আল্লাহ তা'লাৰ আদেশৰ ওপৰত আমল কৰোঁতা হয়। ইয়ামিনৰ কাৰাগাৰত থকা বন্দী সকলৰ বাবে দোৱা কৰিব যাতে আল্লাহ তা'লা সিহঁতৰ মুক্তিৰ উপায় খুলি দিয়ে। এনেদৰে পাকিস্তানৰ আহমদী সকলৰ বাবে দোৱা কৰিব। পাকিস্তানৰ পৰিস্থিতি সুস্থ নহয়। ঈদ ওচৰ চাপি আহিছে, এনে সময়ত সাধাৰণতে পাকিস্তানৰ মৌলবী সকলৰ মূৰ গৰম হৈ উঠে। আল্লাহ তা'লা প্ৰত্যেকজন আহমদীক সকলো ধৰণৰ বিপদ-আপদৰ পৰা নিৰাপদ ৰাখক। কয়েদী সকলৰ বাবে মুক্তিৰ বাট উন্মোচন কৰি দিয়ক। আমীন-

খোতবা জুমাৰ দ্বিতীয় অংশত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন মৰহুমিনৰ চমু পৰিচয় দিয়ে আৰু নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। ইয়াৰে প্ৰথম জন হ'ল মৰহুম মকৰম চৌধুৰী মনিৰ আহমদ চাহাব (মুৰববী ছিলছিলা ডিৰেক্টৰ এম,টি এ ইণ্টাৰনেচনাল টেলিপোৰ্ট আমেৰিকা) যোৱা কালি ৭৩ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম ১৯৮১ চনৰ পৰা ১৯৯০ চনলৈকে আৰু ১৯৯৪ চনৰ পৰা মৃত্যুৰ দিনটো লৈকে আমেৰিকাত জামাতৰ খিদমত কৰাৰ তৌফিক লাভ কৰে। মৰহুমে বৰ পৰিশ্ৰমেৰে আৰু মন প্ৰাণেৰে জামাতৰ খিদমত কৰোঁতা আছিল। মৰহুমে ট্যাকনিকেল বিভাগত নিজে চেষ্টা কৰি কাম কৰিবলৈ শিকিছিল। মৰহুম এজন দোৱা কৰোঁতা খিলাফতৰ সৈতে সম্পৰ্ক ৰাখোতা, অতিথি পৰায়ণ লোক আছিল। তেখেত এজন দৃষ্টান্তকাৰী ওয়াকফে জিন্দেগী লোক আছিল। মকৰম আব্দুৰ ৰহমান কুটি কেৰেলা যোৱা কেইদিন মান আগত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম মুচি আছিল ১৬ বছৰ বয়সত তেখেতে বয়াত কৰাৰ তৌফিক লাভ কৰিছিল। মৰহুম নিয়মিত নামাজী আৰু ৰোজাদাৰ আছিল জামাতৰ সৈতে একাগ্ৰচিত্তে সম্পৰ্ক ৰাখোতা আৰু বৰ সহজ সৰল লোক আছিল। মৰহুমৰ এজন পুত্ৰ মকৰম শ্বামছ উদ্দিন মালাবাৰি চাহাব মুবাল্লিগ ইনচাৰ্জ কাবাবিৰ হিচাপে জামাতৰ খিদমত কৰি আছে। পুত্ৰই মৰহুমৰ জানাজাত চামিল হ'ব পৰা নাই। হুজুৰ (আইঃ)য়ে মৰহুমিন সকলৰ মাগফিৰাত আৰু উচ্চ মৰ্যদা প্ৰাপ্তিৰ বাবে দোৱা কৰে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰه رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْ كُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844